**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::**

১। নতুন দিল্লীত আজি অনুষ্ঠিত কোৱাড ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ৰাষ্ট্ৰ গোটটোৰ কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সৈতে জড়িত আঞ্চলিক তথা গোলকীয় ঘটনাক্ৰমক লৈ আলোচনা কৰা হয়।

২। কেন্দ্ৰীয় চৰকাৰে অনুপ্ৰৱেশ আৰু অন্য কাৰণত হোৱা জনগাথনি পৰিৱৰ্তনৰ সমস্যা দূৰ কৰাৰ বাবে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰিছে।

৩। খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগে ২০২৫-২৬ বিত্তীয় বৰ্ষত ১ লাখ ৫৭ হাজাৰ কোটি টকাৰ সামগ্ৰী বিক্ৰী কৰি গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে।

৪। আয়ুষ মন্ত্ৰালয়ে হিন্দী ইংৰাজীৰ লগতে ২১ টা আঞ্চলিক ভাষাত যোগ দিৱসৰ হাতপুথি মুকলি কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

নতুন দিল্লীত আজি অনুষ্ঠিত কোৱাড ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ৰাষ্ট্ৰ গোটটোৰ কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সৈতে জড়িত আঞ্চলিক তথা গোলকীয় ঘটনাক্ৰমক লৈ আলোচনা কৰা হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব কে নাগৰাজ নাইডুৱে কয় যে বৈঠকত স্বতন্ত্ৰ আৰু মুক্ত ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে পুনৰ প্ৰকাশ কৰে।

তেওঁ কয় যে আলোচনাত ঘাইকৈ সামুদ্ৰিক আৰু পৰিৱৰ্তনকালীন সুৰক্ষা, অৰ্থনৈতিক সমৃদ্ধি, গুৰুত্বপূৰ্ণ তথা নিত্য নতুন প্ৰযুক্তি আৰু মানৱীয় সাহায্য তথা বিপৰ্যয়কালিন সঁহাৰিকে ধৰি কোৱাড সহযোগিতাৰ ৪ টা মূল স্তম্ভৰ ওপৰত আধাৰিত বিষয়সমূহে অগ্ৰাধিকাৰ লাভ কৰিছে। কোৱাড ৰাষ্ট্ৰসমূহে আজি সামদ্ৰিক নিৰীক্ষণৰ ক্ষেত্ৰত সমন্বয় অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে ভাৰত প্ৰশান্ত মহাসাগৰীয় সামুদ্ৰিক নিৰীক্ষণ সহযোগিতাৰ প্ৰৱৰ্তন কৰা বুলি মন্তব্য কৰে। সন্ত্ৰাসবাদ প্ৰতিৰোধী প্ৰচেষ্টা কোৱাড সহযোগিতাৰ গুৰুত্বপৰ্ণ স্তম্ভ বুলি উল্লেখ কৰি শ্ৰী নাইডুৱে কয় যে বৈঠকত বিদেশ মন্ত্ৰীসকলে সীমান্তৰে চলা সন্ত্ৰাসবাদকে ধৰি সকলো ধৰণৰ সন্ত্ৰাসবাদক গৰিহণা দিয়ে। যুটীয়া বিবৃতিত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে অনুপ্ৰৱেশ আৰু অন্য কাৰণত হোৱা জনগাথনি পৰিৱৰ্তনৰ সমস্যা দূৰ কৰাৰ বাবে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সামাজিক মাধ্যমযোগে কয় যে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ প্ৰকাশ প্ৰভাকৰ নাওলেকাৰ কমিটিখনৰ অধ্যক্ষ হ'ব। লোকপিয়ল আয়ুক্তৰ লগতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া দূৰ্গা শংকৰ মিশ্ৰা, ভাৰতীয় আৰক্ষী সেৱাৰ প্ৰাক্তন বিষয়া, বালাজী শ্ৰীবাস্তৱ আৰু অৰ্থনীতিবিদ ড০ শ্বমিকা ৰবিক কমিটিখনৰ সদস্য হিচাপে নিয়োগ কৰা হৈছে। গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিব এই কমিটিখনৰ সদস্য সচিব হ'ব। শ্ৰীশ্বাহে কয় যে অনুপ্ৰৱেশ আৰু আন কিছুমান কাৰণে জনগাথনিলৈ অস্বাভাৱিক পৰিৱৰ্তন আনিছে আৰু ইয়াৰ ফলত দেশৰ বৰ্তমান তথা ভৱিষ্যতৰ বাবে গুৰুতৰ প্ৰত্যাহ্বান আহি পৰিছে। তেওঁ কয় যে জনগাথনিৰ পৰিৱৰ্তন এটা গুৰুতৰ বিষয় আৰু ই অকল সাৰ্বভৌমত্বৰ সৈতে নহয় ৰাষ্ট্ৰীয় সুৰক্ষা আইন-শৃংখলা,

সামাজিক গাথনিৰ ব্যাপক পৰিৱৰ্তন আৰু জনজাতীয় সমাজৰ সংৰক্ষণৰ সৈতেও জড়িত। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে কমিটিখনে অবৈধ প্ৰব্ৰজন আৰু অন্য অস্বাভাৱিক কাৰণৰ বাবে সমগ্ৰ দেশত হোৱা জনগাথনিত পৰিৱৰ্তন সৰ্বাত্মক মূল্যায়ন কৰিব। কমিটিখনে লগতে ধৰ্মীয় তথা সামাজিক সম্প্ৰদায় পৰ্যায়ত হোৱা অস্বাভাৱিক জনগাথনিৰ পৰিৱৰ্তনশৈলীৰো বিশ্লেষণ কৰিব আৰু এই সমস্যা দূৰ কৰাৰ বাবে পৰিকল্পিত তথা সময় নিৰ্ধাৰিত সমাধান আগবঢ়াব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে য়োৱা বছৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া স্বাধীনতা দিৱসৰ ভাষণত জনগাথনি পৰিৱৰ্তন সন্দৰ্ভত উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰাৰ কথা ঘোষণা কৰিছিল।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অপাৰেচন সিন্দূৰৰ সময়ত সীমা সুৰক্ষা বাহিনী বি এছ এফৰ ভূমিকাক প্ৰশংসা কৰি কয় যে বাহিনীটোৱে কেৱল দৃঢ়তাৰে সীমান্ত পহৰা দিয়াই নহয়, বৰঞ্চ সীমান্তৱৰ্তী জিলাসমূহৰ বাসিন্দাৰ মনোবলো বৃদ্ধি কৰিছিল। তেওঁ সীমান্ত সুৰক্ষাক সম্পূৰ্ণৰূপে নিৰাপদ কৰি তুলিবলৈ বিএছএফ, সেনা, প্ৰশাসন আৰু সচেতন নাগৰিকক লৈ এটা চাৰি তৰপীয়া ব্যৱস্থা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

আজি ৰাজস্থানৰ বিকানেৰৰ সমীপৰ বিএছএফৰ চাঞ্চু পোষ্টত আয়োজিত 'প্ৰহৰী সন্মিলন'ত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে এইদৰে কয়। তেওঁ কয় যে এই চাৰিতৰপীয়া ব্যৱস্থাৰ জৰিয়তে সীমান্তত সৃষ্টি হোৱা প্ৰত্যাহ্বানসমূহ প্ৰতিহত কৰিব পৰা যাব।

শ্ৰীশ্বাহে সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত সীমান্তৱৰ্তী গাঁও আৰু ইয়াৰ বাসিন্দাসকলৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰি কয় যে এই গাঁওসমূহত সকলো কল্যাণকামী আঁচনি ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিব লাগিব। তেওঁ কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বৰ চৰকাৰৰ দিনত দেশৰ নিৰাপত্তা ব্যৱস্থাত বৃহৎ পৰিৱৰ্তন ঘটিছে। সশস্ত্ৰ বাহিনী আৰু অৰ্ধসামৰিক বাহিনীসমূহক আধুনিকীকৰণ কৰাৰ বিপৰীতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা হৈছে বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ পূৰ্বে গৃহমন্ত্ৰীগৰাকীয়ে সীমান্তত নিয়োজিত জোৱানসকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানক প্ৰশংসা কৰে। এই উপলক্ষে তেওঁ সীমান্তৰ চকীসমূহত নতুনকৈ নিৰ্মাণ কৰা ১৪টা মহিলা বেৰেকৰো ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে।

০০০০০

খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগে ২০২৫-২৬ বিত্তীয় বৰ্ষত ১ লাখ ৫৭ হাজাৰ কোটি টকাৰ সামগ্ৰী বিক্ৰী কৰি গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে। আয়োগৰ অধ্যক্ষ মনোজ কুমাৰে নতুন দিল্লীত আজি এখন সংবাদ মেলত কয়, যে গ্ৰামাঞ্চলৰ লাখ লাখ শিপিনী  আৰু কাৰুশিল্পীসকলৰ কঠোৰ পৰিশ্ৰমৰ বাবে এয়া সম্ভৱ হৈ উঠিছে। তেওঁ কয় যে ২০১৩-১৪ বৰ্ষৰ তুলনাত বিগত ১২ বছৰত বিক্ৰী ৫০১ শতাংশ, উৎপাদন ৩৮০ শতাংশ আৰু কৰ্মসংস্থাপন সৃষ্টিৰ হাৰ ৫৬ শতাংশ বৃদ্ধি পাইছে।

শ্ৰীকুমাৰে কয় যে ১২ বছৰ পূৰ্বে খাদী উদ্যোগৰ বাৰ্ষিক ব্যৱসায়ৰ পৰিমাণ ৩০ ৰ পৰা ৩২ হাজাৰ কোটি টকা আছিল। তেওঁ কয় যে  খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগে ২ কোটিৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিছে আৰু ইয়াৰে ৮০ শতাংশ মহিলা। আয়োগে খাদী সামগ্ৰীৰ ব্যৱসায়ৰ অধিক প্ৰসাৰৰ উদ্দেশ্যে শীঘ্ৰে ই বাণিজ্য মঞ্চ মুকলি কৰিব বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। খাদী এতিয়া অকল পৰম্পৰাগত সামগ্ৰী হৈ থকা নাই, আত্মনিৰ্ভৰ ভাৰত, থলুৱা গৌৰৱ আৰু গ্ৰাম্য সমৃদ্ধিৰ জীৱন্ত প্ৰতীক হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস প্ৰস্তুতি পূৰ্ণগতিত চলি থকাৰ মাজতে, আয়ুষ মন্ত্ৰালয়ে ইংৰাজী, হিন্দী আৰু ২১টা আঞ্চলিক ভাষাত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ হাতপুথি ২০২৬ মুকলি কৰিছে। আয়ুষ মন্ত্ৰালয়ে জনোৱা মতে, এই হাতপুথিখন হৈছে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস আৰু সমূহীয়া যোগৰ নীতি নিয়মৰ লগতে মন্ত্ৰালয়ৰ পদক্ষেপসমূহ আৰু আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬-ৰ সৈতে জড়িত জনসাধাৰণৰ অংশগ্ৰহণৰ সুযোগসমূহৰ সৰ্বাংগীণ দিশদৰ্শক। ইয়াত মন্ত্ৰালয়ৰ বিশেষ কাৰ্যসূচীসমূহ, যেনে— 'যোগ সংগম', 'হৰিৎ যোগ', 'যোগ সমাৱেশ', 'যোগ পাৰ্ক' আৰু 'যোগ আনপ্লাগড্'-ৰ লগতে অহা মাহৰ ২১ তাৰিখলৈকে হ'বলগীয়া কাৰ্যসূচীসমূহৰ বিষয়ে সবিশেষ অন্তৰ্ভুক্ত কৰা হৈছে।

মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ২০১৪ চনত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰাৰ পিছৰে পৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ক্ৰমবিকাশ আভাস এই হাতপুথিখনত দিয়া হৈছে। এই হাতপুথিখনক তথ্য সমল হিচাপে কাম কৰাৰ লগতে এক ব্যৱহাৰিক ডিজিটেল আহিলা হিচাপেও ব্যৱহাৰ কৰিব পৰা যাব।

ooooo

ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় পৰিষদ SEBI ৰ অধ্যক্ষ টুহিন কান্তা পাণ্ডেই কৰ্পৰেট ব'ণ্ডসমূহ বিপদমুক্ত নহয় বুলি সকিয়াই দিছে। বজাৰ নিয়ন্ত্ৰণ সংস্থাটোৱে দেশৰ ঋণ বজাৰ শক্তিশালী কৰা আৰু বিনিয়োগকাৰীৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰি আছে। মুম্বাইত আজি Care Edge ঋণ বজাৰ সন্মিলনত অংশগ্ৰহণ কৰি চেবিৰ মুৰববীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে সংস্থাটোৱে নিষ্পত্তিৰ দক্ষতা, স্বচ্ছতা বৃদ্ধি আৰু বিভিন্ন সুবিধা সুগম কৰি তোলাৰ উদ্দেশ্যে ব্লক চেইন আধাৰিত প্ৰযুক্তি ব্যৱহাৰ কৰি কৰ্পৰেট ব'ণ্ডৰ প্ৰতিকী ৰূপ প্ৰদানৰ এটা পৰীক্ষামূলক প্ৰকল্পৰ কথা বিবেচনা কৰি আছে। তেওঁ কয় যে ভাৰতৰ কৰ্পৰেট বজাৰ যথেষ্ট সম্প্ৰসাৰিত হৈছে আৰু ২০২৬ চনত বকেয়া কৰ্পৰেট বণ্ডৰ পৰিমাণ ২০১৫ চনৰ ১৭ লাখ কোটি টকাৰ পৰা বৃদ্ধি পাই ৫৯ লাখ কোটিৰো অধিক টকা হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে অনলাইনযোগে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা বুলি দাবী কৰা এখন ই মেইল ভুৱা বুলি অভিহিত কৰিছে। প্ৰেছ ইনফৰমেছন ব্যুৰোৰ তথ্য পৰীক্ষা গোটে প্ৰকাশ কৰা মতে, এই ভুৱা ইমেইলখনৰ জৰিয়তে জনসাধাৰণক দোনেচন কাৰ্যসূচী ২০২৬ বা লটাৰী আঁচনি জয় কৰাৰ বাবে ক্ষতিপূৰণ আদায় দিবলৈ কোৱা হৈছে। গোটটোৱে কৈছে যে এই ই-মেইলখন ভুৱা আৰু ইয়াৰ জৰিয়তে জনসাধাৰণক প্ৰৱঞ্চনা কৰিব খোজা হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে এনেধৰণৰ কোনো ই-মেইল জাৰি কৰা নাই আৰু লটাৰী অথবা আন কোনো যোজনাৰ বাবে কোনো দোনেচন কাৰ্যসূচী ৰূপায়িত কৰা নাই বুলি গোটটোৱে স্পষ্ট কৰি দিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হবলগীয়া প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত যোৱাবাৰৰ ছেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনে পোনে ফাইনেলত প্ৰৱেশ কৰিব। আজিৰ খেলখনত পৰাজিত দলটোৱে দ্বিতীয়খন কোৱালিফায়াৰ খেলৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ আন এটা সুযোগ পাব।

প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখন কাইলৈ মোহালীৰ নিউ চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত খেলোৱা হ'ব। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখনত জয়ী হোৱা দলটো দ্বিতীয়খন কোৱালিফায়াৰত আজিৰ খেলত পৰাজিত দলটোৰ মুখামুখি হ'ব। খেলখন অহা শুকুৰবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব। অৱশ্যে কাইলৈৰ খেলখনত পৰাজিত দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

০০০০০

অলিম্পিকত দুবাৰ পদক বিজয়ী পি ভি সিন্ধু ছিংগাপুৰ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সিন্ধুৱে আজি প্ৰতিযোগিতাৰ এখন খেলত ইন্দোনেছিয়াৰ পুত্ৰীকুচুমা বাৰ্দানীক ২১-১৭, ২১-১৮ গেমত পৰাস্ত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে ভাৰতৰ সত্বিকসাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱেও পুৰুষৰ ডাবলছত প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চিৰাগ আৰু সাত্বিক সাইৰাজৰ যুটীটোৱে আজি দ্বিতীয় ৰাউণ্ডৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰিছলি স্মীথ আৰু চেন ঝি য়িক ২৬-২৮, ২১-১৫, ২১-১৩ গেমত পৰাভূত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত খেলাৰ যোগ্যতা অৰ্জন কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ